দেশ

ইণ্ডিয়া মিত্রজোঁটৰ সাংসদ ৰুহুল্লাহ মেহদীৰ পদত্যাগ

শ্রীনগৰৰ সাংসদ আগা ছৈয়দ ৰুহুল্লা মেহদীয়ে লোকসভাৰ সদস্যপদ এৰি জম্মু-কাশ্মীৰ নেচনেল কনফাৰেন্সো ত্যাগ কৰিছে।

প্রকাশ: ৩ নৱেম্বৰ ২০২৬, নিশা ৭:২৩



(Social media)

৩ নৱেম্বৰ: ইণ্ডিয়া মিত্রজোঁটৰ অংশীদাৰ দল নেচনেল কনফাৰেন্সৰ সাংসদ আগা ছৈয়দ ৰুহুল্লাহ মেহদীয়ে শ্রীনগৰ লোকসভা সমষ্টিৰ সাংসদ পদৰ পৰা পদত্যাগ কৰাৰ লগতে দলটোৰ সৈতে ২৪ বছৰীয়া ৰাজনৈতিক সম্পর্কৰ অন্ত পেলাইছে। ২০২৪ চনৰ লোকসভা নির্বাচনত নেচনেল কনফাৰেন্সৰ প্রার্থী হিচাপে INDIA Allianceৰ সমর্থনত শ্রীনগৰ সমষ্টিৰ পৰা জয়ী হোৱা মেহদীয়ে মঙলবাৰে এই সিদ্ধান্ত আনুষ্ঠানিকভাৱে ঘোষণা কৰে।

বাডগামৰ বেহিষ্ট-ই-জেহৰা পার্কত পিতৃ আগা ছৈয়দ মেহদীৰ ২৬সংখ্যক মৃত্যু বার্ষিকী উপলক্ষে আয়োজিত এখন ৰাজহুৱা সভাত সমর্থকসকলৰ সন্মুখত তেওঁ পদত্যাগৰ কথা ঘোষণা কৰে। মেহদীয়ে নিজৰ সিদ্ধান্তক ‘নীতিৰ ৰাজনীতিৰ বিজয়’ বুলি অভিহিত কৰে।

নেচনেল কনফাৰেন্সৰ নেতৃত্বই ২০২৪ চনৰ নির্বাচনৰ সময়ত জনসাধাৰণক দিয়া প্রতিশ্রুতি পূৰণ কৰাত ব্যর্থ হোৱা বুলি অভিযোগ কৰে মেহদীয়ে। বিশেষকৈ সংবিধানৰ ৩৭০ অনুচ্ছেদ পুনৰ বাহাল কৰা, জম্মু-কাশ্মীৰৰ সাংবিধানিক অধিকাৰ সুৰক্ষিত কৰা, সংৰক্ষণ নীতিৰ সংশোধন আৰু কাৰাবন্দীসকলৰ মুক্তিৰ বিষয়ত দলটোৱে

প্ৰতিশ্ৰুতি অনুসৰি কাম কৰা নাই বুলি তেওঁ দাবী কৰে।

পদত্যাগ-পত্ৰত মেহদীয়ে ২০১৯ চনত ৩৭০ আৰু ৩৫এ অনুচ্ছেদ বাতিলৰ পিছত জম্মু-কাশ্মীৰৰ ৰাজনৈতিক পৰিস্থিতিৰ উল্লেখ কৰে। তেওঁৰ মতে, সেই সময়ত জনসাধাৰণৰ অধিকাৰ পুনৰুদ্ধাৰৰ বাবে এক শক্তিশালী ৰাজনৈতিক সংগ্ৰামৰ প্ৰয়োজন আছিল। নেচনেল কনফাৰেন্সে সেই সংগ্ৰামৰ নেতৃত্ব দিব বুলি আশা কৰি তেওঁ দলটোৰ সৈতে অধিক সক্ৰিয়ভাৱে জড়িত হৈছিল। কিন্তু নিৰ্বাচনত বিপুল জনাদেশ লাভ কৰাৰ পিছত দলটোৱে নিজৰ ৰাজনৈতিক স্থিতি সলনি কৰা বুলি তেওঁ অভিযোগ কৰে।

মেহদীয়ে মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা আৰু দলৰ নেতৃত্বৰ ৰাজনৈতিক স্থিতিৰো সমালোচনা কৰে। তেওঁৰ অভিযোগ, জনসাধাৰণৰ অধিকাৰ পুনৰুদ্ধাৰৰ সংগ্ৰাম অব্যাহত ৰখাৰ পৰিৱৰ্তে দলটোৱে চৰকাৰ পৰিচালনাক অধিক গুৰুত্ব দিছে। অৱশ্যে এই অভিযোগসমূহ মেহদীৰ নিজা ৰাজনৈতিক বক্তব্য।

তেওঁ স্পষ্ট কৰে যে ব্যক্তিগত অসন্তুষ্টি, দলত পদবী নোপোৱা বা ৰাজনৈতিক ক্ষমতাৰ আকাংক্ষাৰ বাবে এই সিদ্ধান্ত লোৱা নাই। নিজৰ বিবেক, নীতি আৰু আদৰ্শৰ সৈতে আপোচ কৰিব নিবিচৰাৰ বাবেহে নেচনেল কনফাৰেন্স ত্যাগ কৰিছে বুলি তেওঁ কয়।

আনহাতে, কেৱল এটা দল ত্যাগ কৰি আন এটা দলত যোগ দিয়াই তেওঁৰ উদ্দেশ্য নহয় বুলি মেহদীয়ে প্ৰকাশ কৰে। জম্মু-কাশ্মীৰৰ জনসাধাৰণৰ অধিকাৰ আৰু কল্যাণৰ বাবে কাম কৰিব বিচৰা নিষ্ঠাৱান যুৱক-যুৱতী আৰু সমমনস্ক লোকসকলক একত্ৰিত কৰি নতুন ৰাজনৈতিক মঞ্চ গঢ়াৰ ইংগিত দিয়ে তেওঁ।

মেহদীয়ে ৩ নৱেম্বৰত লোকসভাৰ অধ্যক্ষ ওম বিৰলালৈ সাংসদ পদৰ পৰা পদত্যাগ-পত্ৰ প্ৰেৰণ কৰিছে। সংবিধানৰ ১০১(৩)(b) অনুচ্ছেদ আৰু লোকসভাৰ কাৰ্যপ্ৰণালী বিধিৰ ২৪০নং নিয়মৰ অধীনত তেওঁ পদত্যাগ দাখিল কৰিছে। অৱশ্যে অধ্যক্ষই পদত্যাগ গ্ৰহণ কৰাৰ পিছতহে শ্ৰীনগৰ লোকসভা সমষ্টিৰ আসনখন আনুষ্ঠানিকভাৱে খালী হ’ব।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/618/ruhullah-mehdi-resigns-srinagar-mp-quits-nc